**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-06-2024
**Time :** 1910 Hrs.

***Assamese EVENING Bulletin***
***HEADLINES***

১। বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে পৰহিলৈ একেৰাহে তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিব।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰে আৰু চৰকাৰ গঠনৰ বাবে দাবী উত্থাপন কৰে।

৩। প্ৰধানমন্ত্ৰী মোদীয়ে কৈছে যে তেওঁৰ জীৱনৰ প্ৰতিটো ক্ষণ ড° বাবাচাহেব আম্বেদকাৰ প্ৰণোদিত সংবিধানৰ মহান প্ৰমূল্যৰাজি অক্ষুণ্ণ ৰখাৰ নামত উৎসৰ্গিত।

৪। কংগ্ৰেছে মহাত্মা গান্ধী, ছত্ৰপতি শিৱাজী মহাৰাজ আৰু ড° ভীমৰাও ৰামজী আম্বেদকাৰৰ প্ৰতিমূৰ্তি সংসদ ভৱন চৌহদৰ মূল স্থানৰ পৰা আন ঠাইলৈ স্থানান্তৰিত কৰাৰ বাবে চৰকাৰে লোৱা পদক্ষেপক সমালোচনা কৰিছে।

আৰু

৫। কানাডা আজি  নিউয়ৰ্কত হ'বলগীয়া টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আয়াৰলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে পৰহিলৈ সন্ধিয়া ৬ বজাত ৰাষ্ট্ৰপতি ভৱনত আয়োজিত এটা অনুষ্ঠানত একেৰাহে তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিব। নতুন দিল্লীত আজি অনুষ্ঠিত ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চা, এন ডি এৰ সংসদীয় দলৰ বৈঠকৰ অন্তত কেন্দ্ৰীয় মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে এই কথা প্ৰকাশ কৰে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে নৰেন্দ্ৰ মোদী আৰু তেওঁৰ মন্ত্ৰীসভাৰ সদস্যসকলক শপত বাক্য পাঠ কৰাব। এন ডি এ নেতাসকলে আজি সংসদীয় দলৰ বৈঠকৰ পাছতে ৰাষ্ট্ৰপতিক সাক্ষাৎ কৰে আৰু নতুন চৰকাৰ গঠনৰ বাবে দাবী উত্থাপন কৰে।

ইয়াৰ পূৰ্বে এন ডি এৰ সংসদীয় দলে সৰ্বসন্মতিক্ৰমে নৰেন্দ্ৰ মোদীক ইয়াৰ নেতা বাছনি কৰিছে। নতুন দিল্লীত আজি অনুষ্ঠিত এন ডি এৰ সংসদীয় দলৰ বৈঠকত বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিঙে শ্ৰী মোদীক এন ডি এৰ নেতা বাছনি কৰাৰ বাবে এটা প্ৰস্তাৱ উত্থাপন কৰে আৰু মিত্ৰজোঁটৰ সকলো সহযোগী দলৰ নেতৃবৰ্গই প্ৰস্তাৱটোৰ প্ৰতি সমৰ্থন আগবঢ়ায়। শ্ৰী মোদীক লোকসভাত বিজেপিৰ নেতা আৰু বিজেপিৰ সংসদীয় দলৰ নেতা হিচাপেও বাছনি কৰা হৈছে।

শ্ৰী মোদীৰ নাম প্ৰস্তাৱ কৰি কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিঙে কয় যে তেওঁ এই পদৰ বাবে আটাইতকৈ উপযুক্ত ব্যক্তি। তেওঁ কয় যে এন ডি এ মিত্ৰজোঁট বাধ্য-বাধকতা নহয়, বৰং আমাৰ প্ৰতিশ্ৰুতিহে। কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহ আৰু নীতিন গাডকাৰীয়ে প্ৰস্তাৱটোৰ প্ৰতি সমৰ্থন আগবঢ়ায়।

প্ৰস্তাৱটোৰ প্ৰতি সমৰ্থন আগবঢ়াই কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কয় যে এয়া অকল এন ডি এ সংসদীয় দলৰ বৈঠকত উপস্থিত থকা নেতাসকলৰেই নহয়, বৰং দেশৰ ১৪০ কোটি জনসাধাৰণৰ আকাংক্ষা।

আনহাতে, বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীয়ে কয় যে প্ৰধানমন্ত্ৰী মোদীয়ে দেশক সমৃদ্ধিশালী আৰু মহা শক্তিৰূপে গঢ়ি তোলাৰ বাবে সম্পূৰ্ণ নিষ্ঠাৰে কাম কৰি আহিছে। তেলেগু দেশম পাৰ্টীৰ মুৰব্বী চন্দ্ৰবাবু নাইডুৱে কয় যে এন ডি এ চৰকাৰে নৰেন্দ্ৰ মোদীৰ দূৰদৰ্শী নেতৃত্বত বিগত ১০ বছৰত ভালেমান

গুৰুত্বপূৰ্ণ পদক্ষেপ লৈছে। এই সময়ছোৱাত দেশ চমকপদ প্ৰগতি আৰু পৰিৱৰ্তনৰ সাক্ষী হৈছে বুলিও তেওঁ উল্লেখ কৰে।

প্ৰধানমন্ত্ৰী মোদীৰ প্ৰতি সমৰ্থন আগবঢ়াই বিহাৰৰ মুখ্যমন্ত্ৰী তথা জে ডি ইউৰ সভাপতি নীতিশ কুমাৰে কয় যে আমি সকলো ঐক্যবদ্ধ হোৱাটো ভাল কথা আৰু আমি সকলোৱে এতিয়া নৰেন্দ্ৰ মোদীৰ নেতৃত্বত কাম কৰি যাম।

এই উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে এন ডি এ ক্ষমতাৰ বাবে একগোট হোৱা ৰাজনৈতিক দলৰ এটা গোট নহয়, বৰং ৰাষ্ট্ৰপ্ৰথম নীতিৰে কাম কৰাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ এটা মিত্ৰজোঁট। দেশৰ ইতিহাসত এন ডি এ সবাতোকৈ সফল মিত্ৰজোঁট বুলি অভিহিত কৰি শ্ৰী মোদীয়ে কয় যে সকলো সিদ্ধান্তৰ ক্ষেত্ৰত সহমতত উপনীত হোৱাই আমাৰ লক্ষ্য। তেওঁ কয় যে দেশৰ জনসাধাৰণে ২২ খন ৰাজ্যত চৰকাৰ গঠনৰ জনাদেশ প্ৰদান কৰি এন ডি এক তেওঁলোকক সেৱা কৰাৰ সুযোগ দিছে। তেওঁ কয় যে এন ডি এ চৰকাৰ জনসাধাৰণৰ জীৱনত ন্যূনতম হস্তক্ষেপ, সুশাসন আৰু উন্নয়নত গুৰুত্ব আৰোপ কৰিব। তেওঁ কয় যে বিগত ১০ বছৰত এন ডি এই দেশক সফলতাৰ নতুন শিখৰলৈ লৈ যোৱাৰ বাবে কাম কৰিছে।

বৈঠকত বিজেপিৰ সভাপতি জে পি নাড্ডা, কেন্দ্ৰীয় মন্ত্ৰী পীয়ুষ গোৱেল, অনুৰাগ সিং ঠাকুৰ, এল জে পি আৰৰ মুৰব্বী চিৰাগ পাছোৱান, এন চি পিৰ নেতা অজিত পাৱাৰ, আৰ এল ডিৰ মুৰব্বী জয়ন্ত চৌধৰী, জনসেনাৰ মুৰব্বী পৱন কল্যাণ, উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথ, অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী একনাথ সিন্দে, মধ্যপ্ৰদেশৰ মুখ্যমন্ত্ৰী মোহন যাদৱ, গোৱাৰ মুখ্যমন্ত্ৰী প্ৰমোদ শাৱন্ত, মণিপুৰৰ মুখ্যমন্ত্ৰী এন বীৰেণ সিং আৰু গুজৰাটৰ মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পেটেল প্ৰমুখ্যে ভালেমান নেতা উপস্থিত থাকে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰে আৰু চৰকাৰ গঠনৰ বাবে দাবী উত্থাপন কৰে। ৰাষ্ট্ৰপতি ভৱনৰ বাহিৰত শ্ৰী মোদীয়ে কয় যে এন ডি এই এখন শক্তিশালী, সুস্থিৰ আৰু বিকাশমুখী চৰকাৰ গঠন কৰিব। তেওঁ কয় যে জনসাধাৰণে এন ডি এ চৰকাৰক আৰু এটা সুযোগ দিছে আৰু অষ্টাদশ লোকসভা নতুন আৰু যুৱ শক্তিৰ ভৱন। শ্ৰী মোদীয়ে কয় যে তেওঁৰ চৰকাৰে দেশৰ জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণ কৰিব। তেওঁ লগতে সুস্থিৰ চৰকাৰ দেশ, অৰ্থ ব্যৱস্থা আৰু যুৱ প্ৰজন্মৰ বাবে লাভদায়ক হিচাপে প্ৰমাণিত হ'ব বুলি প্ৰকাশ কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এন ডি এৰ নেতা হিচাপে বাছনি লাভ কৰাৰ পাছতে আজি বিজেপিৰ প্ৰবীণ নেতা লালকৃষ্ণ আদৱানি আৰু মুৰলী মনোহৰ যোশীক সাক্ষাৎ কৰে আৰু নেতা দুগৰাকীৰ আশীষ লয়। শ্ৰী মোদীয়ে লগতে প্ৰাক্তন ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দক তেওঁৰ নতুন দিল্লীৰ বাসগৃহত দেখা কৰে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে তেওঁৰ জীৱনৰ প্ৰতিটো ক্ষণ ডঃ বাবাচাহেব আম্বেদকাৰ প্ৰণোদিত সংবিধানৰ মহান প্ৰমূল্যৰাজি অক্ষুণ্ণ ৰখাৰ নামত উৎসৰ্গিত। শ্ৰী মোদীয়ে সামাজিক মাধ্যমযোগে আজি কয় যে একমাত্ৰ সংবিধানৰ বাবে তেওঁৰ নিচিনা দুখীয়া আৰু অনগ্ৰসৰ পৰিয়ালত জন্মগ্ৰহণ কৰা এজন লোকেও দেশৰ প্ৰতি সেৱা আগবঢ়াবলৈ সমৰ্থ হৈছে। তেওঁ কয় যে সংবিধানে দেশৰ কোটি কোটি জনসাধাৰণক আশা, শক্তি আৰু মৰ্যাদা প্ৰদান কৰিছে।

০০০০০০০

কংগ্ৰেছে মহাত্মা গান্ধী, ছত্ৰপতি শিৱাজী মহাৰাজ আৰু ডঃ ভীমৰাও ৰামজী আম্বেদকাৰৰ প্ৰতিমূৰ্তি সংসদ ভৱন চৌহদৰ মূল স্থানৰ পৰা আন ঠাইলৈ স্থানান্তৰিত কৰাৰ বাবে চৰকাৰে লোৱা পদক্ষেপক সমালোচনা কৰিছে। নতুন দিল্লীত আজি সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত কংগ্ৰেছ দলৰ নেতা পৱন খেৰাই কয় যে দেশবাসীয়ে

এই মহান নেতাকেইগৰাকীৰ প্ৰতিমূৰ্তি স্থানান্তৰিত কৰাৰ আঁৰৰ প্ৰকৃত অভিপ্ৰায় জানিব খুজিছে। তেওঁ কয় যে চৰকাৰে এই বিষয়ে সংসদৰ ভিতৰত আৰু বাহিৰত উত্তৰ দিব লাগিব।

অৱশ্যে লোকসভা সচিবালয়ে মহান নেতাকেইগৰাকীৰ প্ৰতিমূৰ্তি স্থানান্তৰিত কৰাৰ অভিযোগ খণ্ডন কৰি কৈছে যে এই প্ৰতিমূৰ্তিসমূহ সংসদ ভৱন চৌহদৰ পৰা আঁতৰ কৰা হোৱা নাই। সচিবালয়ে কৈছে যে নেতা কেইগৰাকীৰ প্ৰতিমূৰ্তিসমূহ সুপৰিকল্পিত ভাৱে আৰু সন্মানসহকাৰে সংসদ ভৱন চৌহদৰ ভিতৰত স্থাপন কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

0000000

কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেই চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে আয়োজিত ৰাষ্ট্ৰীয় যোগ্যতা নিৰূপণ আৰু প্ৰৱেশ পৰীক্ষা, নীটৰ ক্ষেত্ৰত অনিয়ম হোৱা বুলি উঠা অভিযোগৰ এটা উচ্চ পৰ্যায়ৰ তদন্তৰ দাবী জনাইছে। শ্ৰী খাৰ্গেই আজি সামাজিক মাধ্যমৰ এটা পোষ্টযোগে কয় যে উচ্চতম ন্যায়ালয়ৰ তত্বাৱধানত বিষয়টোৰ এটা উচ্চ পৰ্যায়ৰ তদন্ত হোৱা উচিত। তেওঁ কয় যে প্ৰশ্নকাকত ফাদিল, জালিয়াতি আৰু দুৰ্নীতি নীটকে ধৰি ভালেমান পৰীক্ষাৰ অবিচ্ছেদ্য অংশ হৈ পৰিছে। তেওঁ পৰীক্ষাৰ ক্ষেত্ৰত হোৱা এনে অনিয়মৰ বাবে চৰকাৰক দোষাৰোপ কৰিছে।

0000000

চৰকাৰে যোৱানিশাৰেপৰা আইন-শৃংখলা পৰিস্থিতিৰ অৱনতি ঘটাৰ পৰিপ্ৰেক্ষিতত মণিপুৰৰ সীমান্তৱৰ্তী জিৰিবামত সান্ধ্য আইন জাৰি কৰিছে। পামলৈ বুলি যোৱা এগৰাকী ব্যক্তিৰ মৃতদেহ উদ্ধাৰ হোৱাৰ পাছৰেপৰা অঞ্চলটোৰ পৰিস্থিতি বেয়াৰ পিনে ঢাল খাইছে। ইয়াৰ উপৰি একাংশ দুৰ্বৃত্তই যোৱানিশা দুটা ভিন ভিন সম্প্ৰদায়ৰ কেইটামান বাসগৃহ জ্বলাই দিয়ে। জিলা প্ৰশাসনে আজি পুৱাৰেপৰা অঞ্চলটোত সান্ধ্য আইন জাৰি কৰিছে আৰু সুৰক্ষা বাহিনী আৰু জিলা পৰ্যায়ৰ বিষয়াসকলক ধন-জনৰ ৰক্ষা কৰিবলৈ নিৰ্দেশ দিছে। সুৰক্ষা বাহিনীয়ে চহৰখনৰ হিংসাপ্ৰৱণ এলেকাৰ লোকসকলক সুৰক্ষিত স্থানলৈ আঁতৰাই নিছে।

0000000

কানাডা আজি নিউয়ৰ্কত হ'বলগীয়া টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আয়াৰলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব। আনহাতে, কাইলৈ পুৱা পাঁচ বজাত হ'বলগীয়া আন এখন খেলত আফগানিস্তান আৰু নিউজিলেণ্ড মুখামুখি হ'ব।

00000

বিদেশ পৰিক্ৰমা মন্ত্ৰালয়ে কৈছে যে ৰাছিয়াৰ ভেলিকি নভ'গোৰডত থকা য়াৰৌস্লাৰ-দ-ৱাইজ নভ'গোৰড ষ্টেট ইউনিভাৰ্ছিটিত পঢ়ি থকা চাৰি গৰাকী ভাৰতীয় শিক্ষাৰ্থী বোলখোৰ নৈত ডুব যায়। মন্ত্ৰালয়ে এটা বিবৃতিত কৈছে যে আন এগৰাকী ভাৰতীয় শিক্ষাৰ্থীক উদ্ধাৰ কৰা হৈছে আৰু বৰ্তমান চিকিৎসা প্ৰদান কৰি থকা হৈছে। চেইণ্ট পিটাৰ্ছবাৰ্গত থকা ভাৰতীয় দূতাবাসে বিশ্ববিদ্যালয়খনৰ লগত যোগাযোগ অব্যাহত ৰাখিছে আৰু সম্ভাব্য সকলো সুবিধা আগবঢ়োৱা হৈছে। স্থানীয় জৰুৰীকালীন সেৱাই এতিয়ালৈ দুগৰাকী শিক্ষাৰ্থীৰ মৃতদেহ উদ্ধাৰ কৰিছে। মন্ত্ৰালয়ে শিক্ষাৰ্থীকেইগৰাকীৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰিছে আৰু কৈছে যে নিৰুদ্দিষ্ট দুগৰাকী শিক্ষাৰ্থীৰ উদ্ধাৰ অভিযান অব্যাহত আছে। উল্লেখযোগ্য যে এই ঘটনাই ভুক্তভোগী শিক্ষাৰ্থীকেইগৰাকী মহাৰাষ্ট্ৰৰ জলগাঁও জিলা নিবাসী।

0000000

ফ্ৰান্সৰ পেৰিছত আজি ফ্ৰেন্স অ'পেন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ ছেমি ফাইনেল খেলখন অনুষ্ঠিত হ'ব। প্ৰথমখন ছেমি ফাইনেলত তৃতীয় স্থানৰ স্পেইনৰ কাৰ্লোছ অল্কাৰাজ গাৰ্ফিয়া দ্বিতীয় বাছনিৰ ইটালীৰ জেনিক ছিনৰৰ মুখামুখি হ'ব। আনহাতে, দ্বিতীয়খন ছেমি ফাইনেল চতুৰ্থ বাছনিৰ জাৰ্মানীৰ আলেকজেণ্ডাৰ জেভৰেভ আৰু সপ্তম বাছনিৰ ন'ৰৱেৰ কেস্পাৰ ৰুডৰ মাজত অনুষ্ঠিত হ'ব।

আনহাতে, কাইলৈ হ'বলগীয়া মহিলাৰ ছিংগল্‌ছৰ ফাইনেল খেলত শীৰ্ষ বাছনিৰ পোলেণ্ডৰ ইগা চুৱাটেকে ইটালীৰ জেচমিন পাউলিনিৰ বিৰুদ্ধে খেলিব। ইফালে, দ্বিতীয় বাছনিৰ ভাৰতৰ ৰোহন বোপন্না আৰু অষ্ট্ৰেলিয়াৰ মেথিউ এবডেনৰ যুটীটো প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে। যুটিটোৱে পুৰুষৰ ডাবল্‌ছৰ ছেমি ফাইনেলত ইটালীৰ চাইমন বোলেল্লি আৰু আন্দ্ৰে বাবামচোৰেৰ হাতত ৫-৭, ৬-২, ২-৬ পোনপটীয়া ছেটত পৰাস্ত হয়।

০০০০০০০

**সমাপ্ত**